*Total number of printed pages–4*

**14 (ASM–3) 3026**

**2019**

**ASSAMESE**

Paper : ASM-3026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। এটা বাক্যত উত্তৰ লিখিবা ঃ ১×১০=১০

(ক) গ্ৰীকভাষাৰ এষ্টাৰ (তৰা) শব্দক লিংগ কি?

(খ) 'অনুবাদৰ কথা' প্ৰবন্ধটো কৃষ্ণকান্ত সন্দিকৈয়ে কেতিয়া লিখি চলিয়াছিল?

(গ) 'ডিমিক পাবলৈ তই বুঢ়া-বুঢ়ীলৈ কলা পাঠা এটা আগ কৰিছিলি নহয়?' — মূল 'মৃত্যুঞ্জয়'ৰ বুঢ়া-বুঢ়ী ইংৰাজী অনুবাদত কি হৈছে?

(ঘ) 'অগ্নিস্নান' চলচ্চিত্ৰখন কোন চনত নিৰ্মিত হৈছিল?

(ঙ) 'Ancient Gongs'ৰ অসমীয়া ভাঙনি কি হ'ব?

*Contd.*

(চ) ৰোমান য়াকবচন কোন?

(ছ) জতুৱা ঠাচৰ অনুবাদ সম্ভৱ নে?

(জ) 'আষাঢ় কা একদিন'ৰ এটি চৰিত্ৰৰ নাম লিখা।

(ঝ) ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কেতিয়া ভাৰতীয় জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(ঞ) হীৰেন ভট্টাচাৰ্য ৰোমাণ্টিক আধুনিকতাবাদী কবি নে?

২। *তিনিটা* বা *চাৰিটা* বাক্যত উত্তৰ লিখা ঃ ২×১০=২০

(ক) কবিতাৰ অনুবাদৰ ক্ষেত্ৰত লাফেভাবে উল্লেখ কৰা কৌশলবোৰৰ *তিনিটা* উল্লেখ কৰা।

(খ) হীৰেন ভট্টাচাৰ্যৰ কবিতাক শিৰোনাম 'সংহত শব্দ' ইংৰাজী অনুবাদ কেনেদৰে কৰা হৈছে?

(গ) 'ফেঁচা চৰাইটোৰ আকৌ লক্ষী বুলিও ভাবে মানুহে।' — মৃত্যুঞ্জয়ৰ 'লক্ষী'ৰ স্পষ্টতা আনিবৰ বাবে অনুবাদক ধীতেন্দ্ৰনাথ বেজবৰুৱাই কি কথা জোৰা দিছে?

(ঘ) অভিযোজনাৰ এটি সংজ্ঞা দিয়া।

(ঙ) মোহন ৰাকেশ ৰচিত *দুখন* গ্ৰন্থৰ নাম লিখা। বিষয়বস্তুৰো আভাস দিবা।

(চ) অসমীয়া ভাষাত বিজ্ঞাপনৰ বাবে *দুটি* বাক্য লিখা।

(ছ) 'মৃত্যুঞ্জয়' উপন্যাসৰ ৰেল বগৰোৱা ঘটনাৰ স্থান কি? ইয়াৰ নেতৃত্ব কোনে লৈছিল?



(জ) 'অনুবাদৰ কথা' ত কি কি বিদেশী সাহিত্যৰ কথা উল্লেখ আছে?

(ঝ) অনুবাদৰ সমতুল্যতা কি?

(ঞ) 'মৃত্যুঞ্জয়' উপন্যাসৰ মূল সুৰ কি?

৩। চমুটোকা লিখা ঃ ***(যিকোনো চাৰিটা)*** ৫×৪=২০

(ক) 'অগ্নিস্নান'ৰ দৃশ্যসমূহৰ প্ৰতীকী গুণ

(খ) 'মৃত্যুঞ্জয়'ৰ জতুৱা ঠাচ যুক্ত বাক্যৰ ইংৰাজী অনুবাদ

(গ) বিজ্ঞানৰ পাঠ আৰু সাহিত্যৰ পাঠৰ অনুবাদৰ পাৰ্থক্য

(ঘ) অনুবাদ আৰু বিশ্বস্ততাৰ ধাৰণা

(ঙ) অনুবাদ আৰু সংস্কৃতি

(চ) ৰোমান য়াকবচনৰ মতে অনুবাদৰ সময়ত লোৱা ভাষিক দৃষ্টিভংগী

(ছ) লৰেঞ্চ ভেনুটি।

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ১০×৩=৩০

(ক) ভবেন্দ্ৰনাথ শইকীয়াই তেওঁৰ উপন্যাসৰ পৰা 'অগ্নিস্নান'ৰ চিত্ৰনাট্য ৰচনা কৰোতে কোনবোৰ দৃশ্যৰ গুৰুত্ব প্ৰদান কৰি অভিজ্ঞাপনৰ সহায় কৰিছিল ফঁহিয়াই দেখুওৱা।

(খ) মোহন ৰাকেশৰ 'আষাঢ় কা একদিন' নাটকখন অসমীয়ালৈ অনুবাদ কৰোতে অনুবাদক কি কি সমস্যাৰ সন্মুখীন হৈছে আলোচনা কৰা।

(গ) কোনো সাহিত্যৰ বিকাশত অনুবাদে কিদৰে সহায় কৰে কৃষ্ণকান্ত সন্দিকৈৰ 'অনুবাদৰ কথা'ৰ আধাৰত বিচাৰ কৰা।

(ঘ) ৰোমান য়াকবচনৰ মতে অনুবাদৰ প্ৰকাৰ কেইটা কি কি? সংজ্ঞাৰ আধাৰত বিচাৰ কৰা।

(ঙ) হীৰেন ভট্টাচাৰ্যৰ ইংৰাজী অনুবাদত প্ৰদীপ আচাৰ্যই অনুবাদৰ সাৱলীলতা অনাত কিদৰে সফলতা অৰ্জন কৰিছে দৃষ্টান্তসহ আলোচনা কৰা।

(চ) অনুবাদত হানি আৰু প্ৰাপ্তি কেনেদৰে হয় দৃষ্টান্তসহ আলোচনা কৰা।

---

## Paper : ASM-3066

১। এটা বাক্যত উত্তৰ দিয়া ঃ  ১×১০=১০

(ক) ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষা কেইটা বুলি উল্লেখ কৰিছে ?

(খ) কামৰূপী উপভাষা সম্পৰ্কে গৱেষণা কৰি পিএইচ. ডি ডিগ্ৰী লাভ কৰা প্ৰথমজন গৱেষক নাম কি ?

(গ) গোৱালপৰীয়া উপভাষাৰ এটা লিংগগত বৈশিষ্ট্যৰ উল্লেখ কৰা।

(ঘ) অসমৰ যিকোনো নৃগোষ্ঠীয় উপভাষাৰ এটা ধ্বনিগত বৈশিষ্ট্যৰ উদাহৰণ দিয়া।

(ঙ) 'নাগামিজ' সম্পৰ্কে গৱেষণা কৰি পিএইচ. ডি ডিগ্ৰী লাভ কৰা প্ৰথম গৱেষকজন কোন ?

(চ) দৰঙী উপভাষাৰ গৱেষণা কৰা গৱেষক এজনৰ নাম লিখা।

(ছ) কামৰূপী উপভাষাত শাব্দিক শ্বাসাঘাত ক'ত পৰে ?

(জ) মৰিয়া উপভাষা কোন শ্ৰেণীৰ উপভাষা ?

(ঝ) সামাজিক উপভাষাৰ এটি সংজ্ঞা দিয়া।

(ঞ) দ্বিপাৰ্শ্বিকতা মানে কি ?

২। *তিনি-চাৰিটা* বাক্যত তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

২×১০=২০

(ক) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে চমুকৈ লিখা।

(খ) উপভাষা সৃষ্টিৰ *চাৰিটা* কাৰণ উল্লেখ কৰা।

(গ) গোৱালপৰীয়া উপভাষাৰ *যিকোনো চাৰিটা* ভাষিক বৈশিষ্ট্যৰ বিষয়ে লিখা।

(ঘ) দৰঙী উপভাষাৰ শব্দাৱলীৰ বিশেষ বৈশিষ্ট্য আছে — কথাষাৰ উদাহৰণৰ সৈতে লিখা।

(ঙ) কৈৱৰ্ত সম্প্ৰদায়ৰ কথ্যৰূপৰ বিষয়ে চমুকৈ লিখা।

(চ) 'ৰাভামিজ' কোন অঞ্চলত প্ৰচলিত ? ইয়াৰ ভাষিক বৈশিষ্ট্যৰ আভাস দিয়া।

(ছ) হাজং-অসমীয়াৰ প্ৰধান ভাষিক বৈশিষ্ট্য *চাৰিটা* নিৰূপণ কৰা।

(জ) উজনি অসমৰ উপভাষিক ক্ষেত্ৰখনত নৃগোষ্ঠীয় উপভাষাৰ *চাৰিটা* বৈশিষ্ট্যৰ বিষয়ে লিখা।

(ঝ) মৰিগাঁও অঞ্চলৰ উপভাষাৰ বৈশিষ্ট্য বহন কৰা *দহটা* শব্দৰ এখন তালিকা প্ৰস্তুত কৰা।

(ঞ) কামৰূপী উপভাষাৰ শব্দত অপিনিহিতিৰ প্ৰভাবৰ বিষয়ে লিখা।



৩। চমু উত্তৰ লিখা ঃ ***(যিকোনো চাৰিটা)*** ৫×৪=২০

(ক) উপভাষা কথ্য ৰূপত থাকেনে লিখিত ৰূপত ? একোটা উপভাষা কেনেদৰে মান্য ৰূপলৈ ৰূপান্তৰিত হ'ব পাৰে লিখা।

(খ) দৰঙী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ পাৰ্থক্য নিৰূপণ কৰা।

(গ) উপভাষা অধ্যয়নৰ ক্ষেত্ৰত সূচক বা তথ্যদাতাৰ ভূমিকা কি বিৱৰি লিখা।

(ঘ) উপভাষা অধ্যয়নত সামাজিক উপভাষাৰ ভূমিকা কি লিখা।

(ঙ) অসমৰ চাহ-বাগিচাসমূহত কেনেধৰণৰ কথিত অসমীয়া ভাষা প্ৰয়োগ হয়। বিৱৰি লিখা।

(চ) ভাষা আৰু উপভাষাৰ সংজ্ঞা নিৰূপণ কৰি এটি আলোচনা যুগুত কৰা।

৪। ৰচনাধৰ্মী উত্তৰ দিয়া ঃ ***(যিকোনো তিনিটা)***

১০×৩=৩০

(ক) উজানি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাৰ ভৌগোলিক পৰিসীমা নিৰ্ণয় কৰি ইয়াৰ প্ৰধান বৈশিষ্ট্য কেইটা নিৰূপণ কৰা।

(খ) সামাজিক উপভাষাৰ অন্তৰ্গত বিষয়বোৰ নিৰ্ণয় কৰি এটি প্ৰবন্ধ লিখা।

(গ) বৈদ্যুতিন মাধ্যমত অসমীয়া ভাষাৰ, উপভাষা কেনেধৰণে ব্যৱহাৰ কৰা হৈছে আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনত উপভাষাই কিদৰে ভূমিকা গ্ৰহণ কৰিছে ফঁহিয়াই আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাই উজনি অসমৰ উপভাষাক মান্য ৰূপৰূপে গ্ৰহণ কৰাৰ সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক কাৰণবোৰ দৰ্শাই এটি আলোচনা যুগুত কৰা।

---

## Paper : ASM-3096

## (Assamese Vaisnavite, Saiva and Sakta Literature)

১। এটা বাক্যত উত্তৰ দিয়া ঃ ১×১০=১০

(ক) ভগৱন্তৰ লীলা কৰ্ম অনুকৰণ কৰি সৰ্বোত্তম স্তৰত কৰা ভক্তি কি নামেৰে পৰিচিত?

(খ) 'অদ্বৈত বেদান্ত' মতৰ প্ৰবক্তা শংকৰাচাৰ্য্যৰ ভাষ্যটোক কি নামেৰে জনা যায় ?

(গ) "মহাযোগবলে শুদ্ধ কৰি আছো কায়া।
ব্ৰহ্মময় দেখো কি কৰিতে পাৰে মায়া।।"
— উক্ত কথাষাৰ কোনে কাক কৈছিল ?

(ঘ) "হৰিৰ প্ৰসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰিগুণ গায়া নাচে।।"
— ইয়াত বিঘ্নি বুলি কাক বুজোৱা হৈছে ?

(ঙ) "আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়
নপাই জানা তাঙ্ক অবিদ্যাত।"
— ঘোষাটিত উল্লেখ কৰা অবিদ্যা মানে কি?

(চ) শিবপুৰাণত কোন দেৱতাক 'কপালি' আখ্যা দিয়া হৈছে?

(ছ) বিষ্ণুই কাৰ আজ্ঞামতে চক্ৰধাৰণ কৰিছিল?

(জ) মধু আৰু কৈটভ অসুৰক কোনে বধ কৰিছিল?

(ঝ) মহিষাসুৰক কোন মুনিয়ে নাৰীৰ হাতত মৃত্যু হ'ব বুলি অভিশাপ দিছিল?

(ঞ) "শুনিয়োক মহামায়া মোহেৰেসে ইটো কায়া যিটো দৈত্য মহিস আকাৰ।"

— কথাষাৰৰ বক্তা কোন?

২। *দুই-তিনিটা* বাক্যত উত্তৰ দিয়া ঃ　　২×১০=২০

(ক) "তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।।"

— পদফাকিৰ দাৰ্শনিক তাৎপৰ্য বুজাই দিয়া।

(খ) "নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈল
আশাক যিজনে পিঠি দিল।"

— ঘোষা ফাকিৰ তাৎপৰ্য বুজাই দিয়া।

(গ) "মৰণ সন্নিতে পাইলে　গোবিন্দেসে ৰাখিবন্ত
নৰাখিবে ডুকৃঞ কৰণে।।"

—ঘোষা ফাকিৰ 'ডুকৃঞ কৰণ মানে কি?

(ঘ) শিবপুৰাণত সনত কুমাৰে কি কি *তিনিখন* 'লোক' ব্ৰহ্মাৰ আগত বৰ্ণনা কৰিছে?

(ঙ) ৰুদ্ৰৰ পঞ্চমূৰ্তিয়ে কি কি কাৰ্য্য সমাধা কৰে ?



(চ) "হে পুত্ৰ তুমি আমাৰ বচন শুনিয়ো।
এহি ৰুদ্ৰৰ মহিমা আপুনি দেখিয়ো।।"

ইয়াত কোনে কাক পুত্ৰ বুলি সম্বোধন কৰিছে?

(ছ) শিৱপুৰাণৰ কথাবস্তু কোনে কাৰ আগত বৰ্ণনা কৰিছে ?

(জ) সিকাৰণে আজি ধৰি সমস্তে লোকত।
তোমাৰ চামুণ্ডা নাম হৈবেক বেকত।।
— শ্ৰীশ্ৰী চণ্ডীত কোনে কাক কিয় চামুণ্ডা আখ্যা দিছিল?

(ঝ) শ্ৰীশ্ৰী চণ্ডীত 'সপ্তমাতৃকা' বুলি কোন কোন দেৱীক উল্লেখ কৰা হৈছে ?

(ঞ) এহি মতে দেৱী তিনি অৱতাৰ ধৰি।
মহিষাসুৰক নিলা যমৰ নগৰী।।
দেৱীৰ এই তিনি অৱতাৰ কি কি?

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)*　　৫×৪=২০

(ক) সাধন আৰু সাধ্যভক্তি

(খ) ব্যাসদেৱ আৰু ব্ৰহ্মসূত্ৰ

(গ) হৰমোহন অধ্যায়ত মায়াবাদ

(ঘ) নামঘোষাত অৱতাৰবাদ

(ঙ) ৰুদ্ৰসিংহৰ সাহিত্যকৃতি।

(চ) শ্ৰীশ্ৰী চণ্ডী কাব্যত দেৱীমাহাত্ম্য।

(ছ) সুৰথ আৰু সমাধি বৈশ্য

৪। ৰচনাধৰ্মী উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) ভক্তিৰ স্বৰূপ বিশ্লেষণ কৰি অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(খ) কীৰ্ত্তন ঘোষাৰ বেদস্তুতি অধ্যায়ৰ মাজেৰে ভক্তি আৰু দৰ্শন কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা।

(গ) নামঘোষা ৰচনাৰ পটভূমি বিশ্লেষণ কৰা আৰু পুথিখনিত পাঠ্যৰ অন্তৰ্গত, ঘোষা সমূহত শ্ৰৱণ-কীৰ্তন ভক্তিক কেনেদৰে গুৰুত্ব দিয়া হৈছে, বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা।

(ঘ) "ৰুদ্ৰসিংহৰ শিৱপুৰাণত শিৱৰ লোকৰূপৰ বৰ্ণনা মুঠেও নাই, বৈদিক আৰু পৌৰাণিক শিব-ৰুদ্ৰৰ অবিমিশ্ৰ বৰ্ণনাহে আছে"— কথাষাৰৰ আঁত ধৰি এটি আলোচনা আগবঢ়োৱা।

(ঙ) ৰুচিনাথ কন্দলিৰ পৰিচয় দিয়া আৰু 'শ্ৰীশ্ৰী চণ্ডী' কাব্যৰ আধাৰত তেওঁৰ সাহিত্য প্ৰতিভা বিচাৰ কৰা।

(চ) পুৰণি অসমৰ শৈৱ আৰু শাক্ত সাহিত্য সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

---